**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 26-05-2025 **Time :** 07-55 Hrs.

# Assamese Morning Bulletin

বিশ্ববৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপন উপলক্ষে অহা ৯ জুনত অসম বিধানসভাৰ এদিনীয়া বিশেষ অধিৱেশন অনুষ্ঠিত হ'ব। এই অধিৱেশনতে পূৰ্বে আলোচনা কৰা অনুসৰি ডিব্ৰুগড় বিমান বন্দৰৰ নাম ড০ ভূপেন হাজৰিকা নামেৰে নামকৰণ কৰাৰ প্ৰস্তাৱ গ্ৰহণৰ সম্ভাৱনা আছে। ভাৰতীয় সংবিধানৰ ১৭৪-এক নম্বৰ অনুচ্ছেদৰ অধীনত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই এই অধিৱেশনৰ আহ্বান জনাইছে। এই অনুসৰি সেইদিনা পুৱা চাৰে ৯ বজাৰ পৰা অধিৱেশনৰ কাম-কাজ অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে কিছুদিন পূৰ্বে অসম মন্ত্ৰীসভাৰ বৈঠকত বিশ্ববৰেণ্য শিল্পীগৰাকী শতবাৰ্ষিকী উদযাপন সন্দৰ্ভত সিদ্ধান্ত লোৱা হৈছিল। এই অনুসৰি অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকী বছৰজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক কৰা সাক্ষাতৰ সময়তো শতবাৰ্ষিকী অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত অৱগত কৰে।

০০০০০০০

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো সন্দৰ্ভত বিধানসভাৰ মন্ত্ৰীগোটে অচিৰেই প্ৰতিবেদন দাখিল কৰিব বুলি ঘোষণা কৰিছে। কালি সদৌ অসম আহোম সভাৰ লখিমপুৰ জিলা সমিতিৰ উদ্যোগত অনুষ্ঠিত সদৌ অসম আহোম সভাৰ ১৩৩ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰি ডাঃ পেগুৱে কয়, যে জনজাতিকৰণৰ বিষয়টো যিহেতু ৰাজনৈতিক বিষয় সেয়ে এই ক্ষেত্ৰত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত উচ্চস্তৰীয় বৈঠকৰ প্ৰয়োজন আছে। আনহাতে, পদ্মনাথ গোহাঞিবৰুৱাৰ নাম যুগমীয়া কৰাৰ বাবে শীঘ্ৰে শিক্ষা বিভাগে এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত লব বুলিও ভাষণ প্ৰসংগত তেওঁ উল্লেখ কৰে।

০০০০০০০

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই কালি বিশ্বনাথ জিলাৰ সম্ভাব্য বান পৰিস্থিতিৰ প্ৰস্তুতিৰ লগতে তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰে। তেওঁ বিভাগীয় বিষয়া-কৰ্মচাৰীৰ লগত বৈঠকত মিলিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে বিশ্বনাথ, বিহালী আৰু গহপুৰ বিধানসভা সমষ্টিত বানৰ সময়ত প্ৰয়োজন পূৰণৰ বাবে আগতীয়াকৈ ১ কোটি ৭৫ লাখ টকা মোকলাই দিয়া বুলি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে বিশ্বনাথৰ বাবে ৭৫ লাখ, বিহালী আৰু গহপুৰৰ বাবে ৫০ লাখকৈ টকা জিলা আয়ুক্তৰ জৰিয়তে মোকলাই দিয়ে। মন্ত্ৰীগৰাকীয়ে এই সভাত জলসম্পদ বিভাগৰো কাম-কাজৰ খতিয়ান লয়।

মন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছতে শোণিতপুৰ জিলাৰ আয়ুক্ত কাৰ্যালয়তো সম্ভাব্য বান পৰিস্থিতিৰ প্ৰস্তুতিৰ লগতে তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ অগ্ৰগতি সন্দৰ্ভত এখন উচ্চস্তৰীয় পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত বান মানচিত্ৰ তৈয়াৰ, পশুধনৰ বাবে খাদ্য সংৰক্ষণ, পৰ্যাপ্ত পৰিমাণৰ ঔষধ আৰু বিদ্যালয় তথা অন্যান্য দুৰ্বল

কাঠামোৰ নিৰাপত্তা নিশ্চিত কৰা আদি বিভিন্ন দিশত আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে বান পৰিস্থিতিৰ মোকাবিলা কৰিব পৰাকৈ শোণিতপুৰ জিলাৰ বাবে আগতীয়াকৈ ১ কোটি ৭৫ লাখ টকা মঞ্জুৰ কৰা হৈছে বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে। উল্লেখযোগ্য ইয়াৰ আগেয়ে শনিবাৰে মন্ত্ৰীগৰাকীয়ে লখিমপুৰ, ধেমাজি আৰু মাজুলী জিলাত বান পৰিস্থিতি আৰু তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ পৰ্যালোচনা কৰিছিল।

0000000

বনৰীয়া কাঠফুলা খাই বিষক্ৰিয়াত আক্ৰান্ত হোৱা ঘটনা ৰোধ কৰাৰ বাবে শিৱসাগৰ জিলা আয়ুক্ত আয়ুষ গাৰ্গ আৰু জিলা স্বাস্থ্য সেৱা সঞ্চালক ডাঃ মাখন কলিতাই স্থানীয় জনতাক হাবি-বননিত পোৱা কাঠফুলা খোৱাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। বাৰিষা কালত হাবিয়ে-বননিয়ে পোৱা কাঠফুলাত বিভিন্ন বিষাক্ত পদাৰ্থ থাকে আৰু এনে কাঠফুলা খালে মানুহৰ মৃত্যু পৰ্যন্ত হব পাৰে। কাঠফুলা খোৱাৰ পিছত ব্যক্তিজনৰ পেটৰ বিষ, বমি আদি লক্ষণে দেখা দিলে অনতি পলমে ওচৰৰ স্বাস্থ্য কেন্দ্ৰৰ সৈতে যোগাযোগ কৰিবলৈ তেওঁলোকে আহ্বান জনায়। উল্লেখযোগ্য যে শিৱসাগৰ জিলাৰ চাহ বাগিছা অধ্যুষিত অঞ্চলত বিগত সময়ত বিষাক্ত কাঠফুলা ভক্ষণ কৰি বহু লোক বিষক্ৰিয়াত আক্ৰান্ত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিততে জিলা স্বাস্থ্য বিভাগে এই সন্দৰ্ভত সজাগতাৰ বাবে এপ্ৰিল মাহৰ আৰম্ভণিৰ পৰা এলানি সজাগতা কাৰ্যসূচী গ্ৰহণ কৰিছে।

0000000

তিনিচুকীয়া আৰক্ষীয়ে কালি অৰুণাচল প্ৰদেশৰ নামচাইত অভিযান চলাই বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ জব্দ কৰে। তিনিচুকীয়া জিলাৰ আৰক্ষী অধীক্ষক অভিজিত গৌৰৱ দিলীপে জানিবলৈ দিয়া অনুসৰি শনিবাৰে আটক কৰা আলফা স্বাধীনৰ দুৰ্ধৰ্ষ কেডাৰ ৰূপম অসমক সোধাপোছা কৰাৰ পাছত লাভ কৰা তথ্যৰ ভিত্তিত এই অভিযান চলোৱা হয়। এই অভিযানত ভাৰতীয় সেনাৰ লগতে অৰুণাচল প্ৰদেশৰ আৰক্ষীয়েও তিনিচুকীয়া আৰক্ষীক সহযোগ কৰে। অধিক তথ্যৰ সন্ধানত আলফী স্বাধীনৰ সদস্যজনক জেৰা চলাই থকা বুলি আৰক্ষী বিষয়াগৰাকীয়ে প্ৰকাশ কৰে।

0000000

শ্ৰীভূমি আৰক্ষীয়ে কালি বিয়লি পাথাৰকান্দি থানাৰ অন্তৰ্গত মুণ্ডাৱালাত অভিযান চলাই এখন মটৰচাইকেলৰ পৰা মাদক দ্ৰব্য জব্দ কৰে। ত্ৰিপুৰালৈ সৰবৰাহ কৰি থকা অৱস্থাত এই মাদক দ্ৰব্যসমূহ জব্দ কৰা হয়। এই সংক্ৰান্তত আৰক্ষীয়ে তিনিজন লোকক গ্ৰেপ্তাৰ কৰে। জব্দ কৰা মাদক দ্ৰব্যখিনিৰ মূল্য প্ৰায় ২ কোটি টকা হ'ব বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

0000000

**সমাপ্ত**